# অসম আদিত্য

RNI REGN ... epa ... Portal : ... e-mail : ...

...১ চ'ত, ১৯৪৫ শক ■ সোমবাৰ, ২৫ মাৰ্চ, ২০২৪ ■ Asom Aditya, Dibrugarh, Monday, March 25, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰ...


# কানৈ মহাবিদ্যালয়ৰ ১২ শিক্ষাৰ্থীৰ সাফল্য

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৪ মাৰ্চ ঃ** ইণ্ডিয়ান ইনষ্টিটিউট অৱ টেকনলজি আৰু ইণ্ডিয়ান ইনষ্টিটিউট অৱ ছায়েঞ্চৰ উদ্যোগত অনুষ্ঠিত হোৱা ২০২৪ বৰ্ষৰ সৰ্বভাৰতীয় সদ্যঘোষিত প্ৰতিযোগিতামূলক পৰীক্ষাত ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ ১২ গৰাকী শিক্ষাৰ্থীয়ে সাফল্য লাভ কৰাত মহাবিদ্যালয়খনত আনন্দৰ জোৱাৰ উঠে। উল্লেখ্য যে প্ৰত্যেক বছৰে অনুষ্ঠিত হোৱা অতি কঠিন এই প্ৰৱেশ পৰীক্ষাত কানৈ মহাবিদ্যালয়ৰ পৰা পৰীক্ষাত অৱতীৰ্ণ হোৱা ৰসায়ন বিভাগৰ পৰেশ সন্দিকৈ, নিশিতা বৰকাকতি, আস্থা বৰকাকতি, দেৱশ্ৰী দেৱনাথ, গণিত বিভাগৰ অভিমন্যু পুৰকায়স্থ, জিতুপন দাস, প্ৰিয়ঙ্কা দত্ত, পৰিসংখ্যা বিভাগৰ প্ৰিয়ঙ্কা চৌধুৰী, পদাৰ্থ বিজ্ঞান বিভাগৰ লক্ষ্যদীপ গগৈ, আকাশজ্যোতি গগৈ আৰু ধীতিৰাজ দাসে এই সাফল্য লাভ কৰে। উল্লেখ্য যে বিগত বৰ্ষতো বহুকেইগৰাকী শিক্ষাৰ্থীয়ে এই পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চশিক্ষা গ্ৰহণ কৰি আছে। কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই জনোৱা মতে গণিত বিভাগৰ পৰা উত্তীৰ্ণ হৈ বিশ্বজিৎ সিং নামৰ শিক্ষাৰ্থীজনে নাগপুৰৰ এনআইটিত নামভৰ্তি কৰি ভাৰতবৰ্ষৰ শীৰ্ষত থকা শিক্ষাৰ্থী হিচাপে নিজৰ প্ৰতিভাৰ পৰিচয় দি প্ৰধানমন্ত্ৰীৰ শিক্ষা বৃত্তি লৈ বৰ্তমান মাদ্ৰাজৰ আইআইটিত গণিত বিষয়ত গৱেষণা কৰি আছে। এনে বৃত্তি লাভ কৰাতো মহাবিদ্যালয়খনৰ কাৰণে গৌৰৱৰ বিষয় বুলি কয়। মহাবিদ্যালয়খনৰ উপাধক্ষ্য ড০ প্ৰিয় দেৱ গোস্বামীয়ে শিক্ষাৰ্থীৰ এনে সাফল্যত অধিক উৎসাহিত হৈ কয়— কানৈ মহাবিদ্যালয়ে যোৱা বহু বছৰ ধৰি শৈক্ষিক ক্ষেত্ৰখনত প্ৰতিভাৰ স্বাক্ষৰ দি আহিছে। এই ক্ষেত্ৰত শিক্ষক সমাজৰ অৱদান অতি উল্লেখযোগ্য।